অধ্যায় ৪ ঃ সমবায় সমিতি আৰু ৰাজহুৱা উদ্যোগ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ সমবায় সমিতিৰ অর্থ আৰু সংজ্ঞা

৪.৪ সমবায় সমিতিৰ বৈশিষ্ট্যসমূহ

৪.৫ সমবায় সমিতিৰ গঠন

৪.৬ সমবায় সমিতিৰ প্ৰকাৰ

৪.৭ সমবায় সংগঠনৰ সুবিধা আৰু অসুবিধা

৪.৮ ৰাজহুৱা খণ্ডৰ উদ্যোগ

৪.৯ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য

৪.১০ বিভিন্ন প্ৰকাৰৰ ৰাজহুৱা উদ্যোগ

৪.১১ ৰাজহুৱা উদ্যোগৰ অৱদান

৪.১২ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অসুবিধাসমূহ

৪.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.১৪ অধিক জানিবলৈ

৪.১৫ অগ্ৰগতিৰ খতিয়ান

৪.১৬ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমবায় সমিতিৰ অর্থ জানিব পাৰিব
- সমবায় সমিতিৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ সমবায় সমিতিসমূহৰ বিষয়ে জানিব পাৰিব
- সমবায় সমিতিসমূহৰ সুবিধা অসুবিধাসমূহ জানিব পাৰিব
- ৰাজহুৱা উদ্যোগৰ অর্থ, বৈশিষ্ট্য আৰু বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব
- ৰাজহুৱা উদ্যোগৰ অৱদানৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ৰাজহুৱা উদ্যোগৰ মুখ্য অসুবিধাসমূহ জানিব পাৰিব।

৪.২ পৰিচয়

বিংশ শতাব্দীৰ আৰম্ভণীতে ভাৰতবর্ষত গ্ৰাম্য ঋণগ্ৰস্ততা আতৰ কৰিবলৈ ব্ৰীটিছ চৰকাৰে

সমবায় সমিতিৰ ধাৰণা আৰম্ভ কৰিছিল। তেতিয়াৰে পৰা ভাৰতবৰ্ষৰ সমবায় সমিতিসমূহে দেশৰ উন্নয়নত এক অগ্রহণী ভূমিকা পালন কৰি আহিছে। ভাৰতবৰ্ষৰ সমবায় সমিতিসমূহৰ অনুভব মিশ্রিত। আমি সফল সমবায় সমিতিৰ বিপৰীতে বহুতো সুপ্ত প্রায় সমবায় সমিতিও দেখিবলৈ পাওঁ। ঠিক সেইদৰে ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে ভাৰতবৰ্ষৰ উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। এই অধ্যায়টিত আমি সমবায় সমিতি আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য, গুণ আৰু দোষসমূহ আলোচনা কৰিম।

৪.৩ সমবায় সমিতিৰ অর্থ আৰু সংজ্ঞা

ৰাম এখন অত্যন্ত ভিতৰুৱা গাঁৱৰ খেতিয়ক। তেওঁৰ এজাক হাঁহ আছে আৰু হাঁহ জাকৰ পৰা দৈনিক বিশটাকৈ কণী পায়। ঘৰৰ সমূহ সদস্যই খোৱাৰ পিছত ৰামৰ পোন্ধৰটা কণী ৰাহি হয়। এতিয়া প্রশ্নটো হ'ল, তেওঁ ৰাহি হোৱা কণীবোৰ কি কৰিব? তেওঁ কণীবোৰ বিক্রী কৰিব পাৰে কিন্তু তাৰ বাবে গাঁৱত গ্রাহক নাপাব পাৰে বা তেওঁ কণীকেইটা ওচৰৰ চহৰত বিক্রী কৰিব যাব পাৰে। কিন্তু আর্থিক অসুবিধাৰ বাবে তেওঁ চহৰলৈ কণী বিক্রী কৰিব যোৱাতো সম্ভৱ নহ'ব পাৰে। গতিকে, তেওঁ এটা সমস্যাৰ সন্মুখীন হৈছে। হঠাৎ এদিন ৰামে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এজন শিক্ষার্থীক লগ পালে যিজনে আগতে এই অধ্যায়টো পঢ়িছে। শিক্ষার্থী জনে ৰামৰ সমস্যাটোৰ বিষয়ে অবগত হ'ল আৰু ৰামক ক'লে যে তেওঁৰ দৰে একে সমস্যাৰ সন্মুখীন হোৱা ব্যক্তি গাঁৱত আৰু বহুতো আছে। লগতে তেওঁ গাঁৱৰ সকলো মানুহৰ পৰা কণীবোৰ ৰাতিপুৱাই এক নির্দিষ্ট স্থানত সংগ্রহ কৰি কোনো এজন ব্যক্তিৰ হাতত গোটেই কণীবোৰ চহৰলৈ বিক্রীৰ বাবে পঠিয়াই দিবলৈ পৰামর্শ দিলে। আবেলি যেতিয়া চহৰৰ পৰা কণী বিক্রী কৰি মানুহজন ঘুৰি আহিব আকৌ মানুবোৰ এঠাইত লগ হৈ খৰচবোৰ বিয়োগ কৰি বাকী থকা টকাবোৰ তেওঁলোকৰ মাজত ভগাই ল'ব। ৰামে কথাটো গাঁৱৰ অন্য মানুহৰ লগত আলোচনা কৰিলে। গাঁৱৰ সকলো মানুহে ৰামৰ কথাত সন্মতি দিলে আৰু এখন কণী উৎপাদনকাৰী সমিতি আৰম্ভ কৰিলে। তেওঁলোকে সদায় ৰাতিপুৱা কণী সংগ্রহ কৰি ওচৰৰ চহৰলৈ বিক্রীৰ বাবে নিয়া আৰম্ভ কৰিলে। এতিয়া তেওঁলোকৰ ৰাহি কণী বিক্রী কৰা সমস্যাটো সমাধান হ'ল।

ওপৰৰ উদাহৰণটোত গাঁৱৰ সমূহ কণী উৎপাদনকাৰী একেলগ হৈ, কণীবোৰ সংগ্রহ কৰি ওচৰৰ চহৰত বিক্রী কৰা আৰম্ভ কৰিলে আৰু উপার্জন কৰা আৰম্ভ কৰিলে। এইটো সম্ভৱ হৈ উঠিল কাৰণ সমবায় সমিতি গঠন কৰিলে। ঠিক একেধৰণে ব্যক্তিসকল লগ হৈ বিভিন্ন ধৰণৰ সমবায় সমিতি গঠন কৰিব পাৰে।

সাধাৰণ অর্থত সমবায় মানে হ'ল একেলগে কাম কৰা। সমবায় হ'ল ব্যক্তিসমূহে স্বেচ্ছাই গঠন কৰা এক অনুষ্ঠান, য'ত ব্যক্তিসকলে লগ হৈ নিজৰ কল্যাণৰ হকে কাম কৰাৰ সংকল্প লয়। ই আত্ম সহায়, সমতা, গণতন্ত্র আৰু স্বাধীনতাৰ নীতিত প্রতিষ্ঠিত।

তলত বিভিন্ন পণ্ডিতে আগবঢ়োৱা কেইটামান সংজ্ঞা দিয়া হ'ল—

H. C. Calvart ৰ মতে, 'সমবায় হ'ল এনে এটা অনুষ্ঠান য'ত ব্যক্তিসকলে স্বেচ্ছাই সমতাৰ আধাৰত তেওঁলোকৰ অর্থনৈতিক উন্নয়নৰ হকে একলগ হয়।'

ভাৰতীয় সমবায় আইন ১৯১২ৰ অধীনত 'সমবায় সমিতিসমূহ হ'ল এনে সমিতি যাৰ উদ্দেশ্য হ'ল সমবায় নীতিৰ অধীনত সদস্যসকলৰ অর্থনৈতিক উন্নতি সাধন কৰা।'

৪.৪ সমবায় সমিতিৰ বৈশিষ্ট্যসমূহ

সমবায় সমিতিৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ—

(ক) **ই এক স্বেচ্ছামূলক অনুষ্ঠান ঃ** সমবায় সমিতিসমূহ হৈছে স্বেচ্ছামূলক অনুষ্ঠান য'ত সদস্যসকলে সমূহীয়া কার্যৰ দ্বাৰা তেওঁলোকৰ আর্থিক অৱস্থাৰ উন্নতি সাধন কৰাৰ প্রচেষ্টা চলাই। এজন সদস্যই তেওঁৰ ইচ্ছা অনুসৰি সমিতিত যোগদান কৰিব পাৰে আৰু ইচ্ছা অনুসৰি সমিতিৰ সদস্য পদ ত্যাগ কৰিব পাৰে।

(খ) **বাধ্যতামূলক পঞ্জীয়ন ঃ** সমবায় সমিতিসমূহৰ পঞ্জীয়ন বাধ্যতামূলক। সমবায় সমিতিসমূহৰ পঞ্জীয়কৰ কার্যালয়ত সমবায় সমিতিসমূহৰ পঞ্জীয়ন কৰা হয়।

(গ) **আইনগত সত্বা ঃ** এখন সমবায় সমিতি সমবায় আইন ১৯১২ চনৰ অধীনত পঞ্জীয়ন কৰা হয়। পঞ্জীয়নৰ পিছত ই এটা সুকীয়া আইনী সত্বা হৈ পৰে। ই এক স্বাধীন আৰু স্বনিয়ন্ত্রিত অনুষ্ঠান। সমবায় সমিতিয়ে আনৰ বিৰুদ্ধে আৰু আনে সমবায় সমিতিৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে। কোনো সদস্যৰ মৃত্যু, দেউলীয়া বা মনোৰোগে সমবায় সমিতি এখনৰ স্থায়িত্বত কোনো প্রভাৱ নেপেলায়। ই অন্য কোনো ব্যক্তি বা অনুষ্ঠানৰ সৈতে চুক্তিবদ্ধ হ'ব পাৰে আৰু নিজৰ নামত সম্পত্তি বেচা-কিনা কৰিব পাৰে।

(ঘ) **সীমিত দেনা ঃ** সমবায় সমিতিৰ সদস্যসমূহৰ দেনা সীমিত।

(ঙ) **ৰাজ্যিক নিয়ন্ত্রণ ঃ** পঞ্জীয়নৰ দ্বাৰা নির্দিষ্ট ৰাজ্য চৰকাৰসমূহে সমবায় সমিতিসমূহৰ ওপৰত নিয়ন্ত্রণ কৰে আৰু সদস্যসকলৰ অধিকাৰ সুৰক্ষিত কৰি ৰাখে।

(চ) **ঐচ্ছিক আৰু মুক্ত সদস্যতা ঃ** একে ধৰণৰ উদ্দেশ্য থকা সকলো ব্যক্তিৰ বাবে সদস্য পদ মুক্ত। যিকোনো ব্যক্তি যিজনে অংশীদাৰীৰ দায়িত্ব ল'ব খোজে তেওঁ জাতি, সমাজ আৰু ৰাজনীতিৰ কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ সমবায় সমিতিৰ সদস্যতা পদ ল'ব পাৰে। সমবায় আইন অনুসৰি এখন সমবায় সমিতি গঠন কৰিবলৈ সর্বনিম্ন দহজন সদস্যৰ প্রয়োজন আৰু সর্বোচ্চ সদস্য সংখ্যা অসীমিত।

(ছ) **সেবাৰ অভিপ্রায় ঃ** সমবায় সমিতি এখনৰ মূল উদ্দেশ্য হৈছে সদস্যসকলক সেবা কৰা। লাভ উপার্জন ইয়াৰ মুখ্য উদ্দেশ্য নহয়। উদাহৰণস্বৰূপে সমবায় ঋণ সমিতিয়ে সদস্যসকলৰ পৰা সঞ্চয় গ্রহণ কৰে আৰু অতি কম সুদৰ হাৰত ঋণ প্রদান কৰে।

(জ) **ধনৰ উৎস ঃ** সমবায় সমিতিসমূহৰ মূলধন ইয়াৰ সদস্যসকলে যোগান ধৰে। কিন্তু

পঞ্জীয়নৰ পিছত এখন সমবায় সমিতিয়ে ঋণ ল'ব পাৰে বা চৰকাৰৰ পৰা বিত্তীয় অনুমোদন পাব পাৰে।

(ঝ) **গণতান্ত্রিক পৰিচালনা ঃ** সমবায় সমিতিসমূহ হ'ল এক গণতান্ত্রিক অনুষ্ঠান। সমিতিখন সদস্যসকলৰ দ্বাৰা পৰিচালিত নির্ধাৰিত মাণ্ডলিৰ দ্বাৰা পৰিচালিত হয়। প্রত্যেক সদস্যৰে ভোট প্রদানৰ অধিকাৰ আছে। এজন সদস্য এটাতকৈ বেছি অংশৰ অধিকাৰি হ'লেও মাত্র এটা ভোট প্রদান কৰাৰ অধিকাৰহে থাকে।

(ঞ) **সমূহীয়া সহযোগিতাৰ দ্বাৰা আত্মসহায় ঃ** সমবায় সমিতিসমূহ হৈছে আর্থিকভাবে দুর্বল শ্রেণীৰ লোকৰ অনুষ্ঠান আৰু আত্মসহায় আৰু সামুহিক সহযোগিতাৰ নীতিত প্রতিষ্ঠিত। সমবায় প্রতিষ্ঠানসমূহৰ মূল আদর্শটো হ'ল 'প্রত্যেকজন সকলোৰে বাবে আৰু সকলোৰে বাবে প্রত্যেকজন', সমবায় প্রতিষ্ঠানসমূহে আত্মসহায় আৰু সামূহিক সহযোগিতাৰ নীতিৰে সদস্যসমূহৰ দুর্বলতাক শক্তিলৈ ৰূপান্তৰ কৰে।

৪.৫ সমবায় সমিতিৰ গঠন

সমবায় সমিতি পঞ্জীয়ন আইন ১৯১২ৰ অধীনত এখন সমবায় সমিতি গঠন কৰিব পাৰি। সর্বনিম্ন দহজন সদস্যৰে এখন সমবায় সমিতি গঠন কৰিব পাৰি। সমবায় সমিতিৰ সর্বোচ্চ সদস্য কিমানজন থাকিব পাৰে তাৰ কোনো নির্বাচিত সীমা নাই। সমবায় সমিতি এখন পঞ্জীয়ন কৰিবলৈ এখন নির্দিষ্ট প্র-পত্র পূৰণ কৰি ৰাজ্যখনৰ সমবায় সমিতিসমূহৰ পঞ্জীয়কৰ কার্যালয়ত জমা দিব লাগে। প্র-পত্রৰ লগত তলত দিয়া নথিসমূহ গাঁঠি দিব লাগে—

(ক) উদ্যোগী সদস্যসকলৰ নাম।

(খ) বেংকৰ প্রমাণ পত্র (বেংকৰ হিচাপ থকা প্রমাণ)।

(গ) সমিতিখনৰ কাম-কাজৰ বিৱৰণ।

(ঘ) সমিতিয়ে গ্রহণ কৰিবলগীয়া নিয়মাৱলীৰ চাৰিটা প্রতিলিপি।

(ঙ) পঞ্জীয়ন মাচুল জমা দিয়াৰ প্রমাণ পত্র।

(চ) অন্যান্য নথি যেনে— শপতনামা, জামিন ব'ণ্ড বা পঞ্জীয়কে বিচৰা যিকোনো নথি।

পঞ্জীয়কে প্র-পত্রত থকা বিষয়সমূহ প্র-পত্র-B ত অন্তর্ভুক্ত কৰি ক্রমিক নম্বৰ দিয়াৰ পিছত এখন প্রাপ্তি ৰচিদ দিব। পঞ্জীয়ন হোৱাৰ পিছত পঞ্জীয়কে চৰকাৰী ৰাজপত্রৰ দ্বাৰা ঘোষণা কৰিব আৰু পঞ্জীয়নৰ প্রমাণপত্র প্রদান কৰিব।

লাভৰ মীমাংসা ঃ সকলো সমবায় সমিতিয়ে সদস্যসকলক সেৱা প্রদান কৰাৰ উপৰিও কিছু পৰিমাণৰ লাভ অর্জন কৰে। সমবায় সমিতিৰ কাম-কাজত সহযোগ কৰাৰ ভিত্তিত সদস্যসকলৰ মাজত লাভৰ বিতৰণ কৰা হয়। লাভৰ এক গুৰুত্বপূর্ণ অংশ সাধাৰণ সংৰক্ষিত পুঁজিলৈ স্থানান্তৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ


প্রশ্ন নং ১ঃ কোন আইনৰ অধীনত সমবায় সমিতিসমূহৰ পঞ্জীয়ন হয়?

.....

.....

৪.৬ সমবায় সমিতিৰ প্রকাৰ

কামৰ প্রকৃতি অনুসৰি সমবায় সমিতিসমূহক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। তলত সমবায় সমিতিৰ কেতবোৰ প্রকাৰ দিয়া হ'ল ঃ



১। **উপভোক্তা সমবায় সমিতি ঃ** এনেধৰণৰ সমিতি উপভোক্তাসকলৰ দ্বাৰা গঠিত হয় যি ব্যৱসায়ী আৰু দালালৰ শোষণৰ পৰা মুক্ত হ'ব বিচাৰে। উপভোক্তা সমবায় সমিতিসমূহে উপভোক্তা আৰু উৎপাদনকাৰীৰ মাজত পোনপটীয়া সম্পর্ক স্থাপন কৰি মধ্যভোগীক উৎখাত কৰিব বিচাৰে। এনেধৰণৰ সমিতিৰ প্রধান উদ্দেশ্য হৈছে সামগ্রীৰ যোগান নিৰবচ্ছিন্ন কৰআআৰু এক যুক্তিসংগত দামত উচ্চ মানসম্পন্ন সামগ্রীৰ পর্যাপ্ততা নিশ্চিত কৰা। এনেধৰণৰ সমিতিৰ কাম হৈছে উৎপাদনকাৰী বা পাইকাৰী বিক্রেতাৰ পৰা সামগ্রী ক্রয় কৰি সদস্যসকলক বিক্রী কৰা। সদস্য নোহোৱা লোকেও সামগ্রী ক্রয় কৰিব পাৰে। সামগ্রীৰ নাটনি হ'লে সদস্যসকলক অগ্রাধিকাৰ দিয়া হয়। সদস্যসকলক সামগ্রী ক্রয় আৰু বিনিয়োগৰ বাবে ক্রমে বোনাচ আৰু লাভৰ অংশ দিয়া হয়।

২। **উৎপাদনকাৰীৰ সমবায় সমিতি ঃ** ইয়াক উৎপাদন সম্পূর্ণ আৰু বৃদ্ধি কৰিবলৈ ক্ষুদ্র উৎপাদনকাৰীসকলে গঠন কৰে। ই ক্ষুদ্র উৎপাদনকাৰীসকলৰ বাবে কেচামাল আহৰণ কৰা, সামগ্রীৰ মান উন্নত কৰা আৰু বৃহৎ উৎপাদনৰ অর্থ সুৰক্ষিত কৰাত সহায়ক হয়।

৩। **সমবায় বিপণন সমিতি ঃ** ই হৈছে কাৰিকৰ আৰু ক্ষুদ্র উৎপাদনকাৰীসকলৰ স্বেচ্ছামূলক সংস্থা। সদস্যসকলক তেওঁলোকৰ সামগ্রীৰ বাবে লাভজনক দাম নিশ্চিত কৰাত সক্ষম কৰি তুলিবলৈ এই সমিতি গঠন কৰা হয়। ই ইয়াৰ সদস্যসকলৰ দৰদাম কৰাৰ শক্তি আৰু প্রতিযোগিতামূলক স্থিতি উন্নীত কৰাত সহায় কৰে। ই বিভিন্ন ধৰণৰ কাম যেনে— পৰিবহন, পেকেজিং, গ্রেডিং আৰু বিপণন গৱেষণাৰ জৰিয়তে সদস্যসকলক লাভবান হোৱাত

সহায় কৰে। এনেধৰণৰ সমিতিয়ে বাণিজ্যিক লেনদেনৰ সময়ত যাতে কোনোধৰণৰ দুষ্কৰ্ম যেনে হিচাপ-নিকাচত দুর্নীতি, মিছা ওজন দেখুওৱা ইত্যাদি নহয় তাৰ ওপৰত নজৰ ৰাখে।

৪। **ঋণ সমবায় সমিতি ঃ** সীমিত বিত্তীয় সম্পদ থকা সাধাৰণ লোকৰ দ্বাৰা এনে সমিতি গঠিত হয়। এনেধৰণৰ সমিতিয়ে ইয়াৰ সদস্যসকলক তেওঁলোকৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলাত সহায় কৰে। ই কাৰিকৰ, ঔদ্যোগিক শ্রমিক, কৃষক বা বেতনভোগী লোকৰ দ্বাৰা গঠিত হ'ব পাৰে। ঋণদাতাৰ শোষণৰ পৰা মুক্ত হৈ থকাত ই সদস্যসকলক সহায় কৰে। এনে সমিতিয়ে খুওৰ কম সুতৰ হাৰত ঋণ দিয়ে।

৫। **কৃষি সমবায় সমিতি ঃ** ক্ষুদ্র কৃষকসকলৰ দ্বাৰা এনে সমিতি গঠন কৰা হয়, যিসকল কৃষকে বৃহৎ পৰিসৰত কৃষি পাম গঢ়ি তুলিব নোৱাৰে। তেওঁলোকৰ লক্ষ্য হৈছে অর্থনৈতিকভাৱে সবল হোৱা আৰু কৃষিখণ্ডত সর্বোচ্চ উৎপাদন নিশ্চিত কৰা। ইয়াৰ প্রধান উদ্দেশ্য হৈছে সমবায় কৃষিপামক উৎসাহিত কৰা আৰু আধুনিক কৃষি সঁজুলি, উন্নতমানৰ বীজ আৰু সাৰৰ যোগান ধৰা।

৬। **গৃহ নির্মাণ সমবায় সমিতি ঃ** এনে সমিতি সাধাৰণ লোকৰ দ্বাৰাগঠিত হয় যি মালিকীস্বত্বৰ ভিত্তিত বা ভাৰাত আৱাসিক গৃহ পাব বিচাৰে। গৃহ নির্মাণ কৰাটো এটা সমস্যা হৈ থকা ডাঙৰ মহানগৰবিলাকত দুখীয়া আৰু মধ্যবিত্ত লোকসকলে এনে সমিতি গঠন কৰে। একোটা গৃহ নির্মাণ সমবায় সমিতিয়ে পৌৰ কর্তৃপক্ষৰ পৰা মাটি ক্রয় কৰে আৰু ফ্লেট নির্মাণ কৰি সদস্যসকলক আৱণ্টন দিয়ে। এনে সমিতিয়ে তেওঁলোকৰ ঘৰবিলাকত সকলো আধুনিক সুবিধা প্রদান কৰে আৰু কম সুতৰ ঋণ দিয়ে।

৪.৭ সমবায় সংগঠনৰ সুবিধা আৰু অসুবিধা

(ক) সমবায় সমিতিৰ সুবিধা

সমবায় সমিতিৰ সুবিধাবোৰ এনেধৰণৰ ঃ

১। **সহজে গঠন কৰিব পাৰি ঃ** আন যিকোনো ব্যাৱসায়িক সংগঠনৰ তুলনাত সমবায় সমিতি গঠন কৰাটো তেনেই সহজ। যিকোনো দহজনলোক একেলগ হৈ সমবায় সমিতি গঠন কৰিব পাৰে।

২। **সদস্যপদ গ্রহণত বাধা নাই ঃ** সমবায় সমিতিৰ সদস্যপদ সকলো লোকৰ বাবে মুক্ত। ধর্ম, জাতি, বর্ণ আৰু লিংগ ইত্যাদিৰ ভিত্তিত কোনো লোকক যোগদানত বাধা দিয়া নহয়।

৩। **সীমিত দায়বদ্ধতা ঃ** অধিকাংশ ক্ষেত্রতে, সমিতিৰ সদস্যসকলে অৰিহণা হিচাপে দিয়া মূলধন অনুসৰি তেওঁলোকৰ দায়বদ্ধতা সীমিত হয়। সেয়ে সমিতিয়ে বিত্তীয় লোকচানৰ সন্মুখীন হ'লে তেওঁলোকে নিজৰ ব্যক্তিগত সম্পত্তি দিবলগীয়া হোৱা আশংকাৰ পৰা মুক্ত।

৪। **সেৱাৰ উদ্দেশ্য ঃ** সমবায় সমিতিত সদস্যসকলক উচিত দামত ভাল সামগ্রী আৰু সেৱা দিয়া হয়। সমিতিয়ে ইয়াৰ সদস্যসকলক বিত্তীয় সহায়ো কৰে।

৫। **গণতান্ত্রিক পৰিচালনা ঃ** সমবায় সমিতি সদস্যসকলৰ মাজৰ পৰাই নির্বাচিত সদস্যৰ দ্বাৰা পৰিচালিত হয়। প্রতিজন সদস্যৰে নিজৰ একক ভোটৰ জৰিয়তে সমান অধিকাৰ থাকে যদিও সমিতিৰ নীতি নির্ধাৰণৰ ক্ষেত্রত প্রত্যেকেই সক্রিয়ভাৱে ভাগ ল'ব পাৰে। এনেকৈ প্রতিজন সদস্যই সমিতিত সমানে গুৰুত্বপূর্ণ।

৬। **সুস্থিৰতা আৰু ধাৰাবাহিকতা ঃ** সদস্যসকলৰ কাৰোবাৰ মৃত্যু, আর্থিক দুৰৱস্থা, মানসিক ভাৰসাম্যহীনতা আৰু স্থায়ী অসমর্থতাৰ বাবে একোখন সমবায়সমিতি ভংগ কৰি দিব নোৱাৰি। সেয়ে, ইয়াৰ এটা সুস্থিৰ জীৱন থাকে আৰু এছোৱা দীর্ঘ সময়ৰ বাবে বর্তি থাকে।

৭। **অর্থনৈতিক কাম-কাজ ঃ** মধ্যভোগীক উৎখাত কৰা বাবে সমবায় সমিতিয়ে কৰা কাম-কাজ অর্থনৈতিক হয়। মধ্যভোগীয়ে কৰিবলগীয়া কামকিনি ন্যূনতম খৰচত সমিতিৰ সদস্যসকলে কৰে।

৮। **সদস্যসকলে উদ্বৃত্ত ভগাই লয় ঃ** সমিতিয়ে ন্যূনতম লাভত ইয়াৰ সদস্যসকলক সামগ্রী বিক্রীকৰে। কিছুমান ক্ষেত্রত সমিতিয়ে বাহিৰা লোককো সামগ্রী বিক্রী কৰে। এই লাভ সমিতিৰ দৈনন্দিন প্রশাসনীয় কামত ব্যয় কৰা হয়।

৯। **ৰাজ্যিক পৃষ্ঠপোষকতা ঃ** চৰকাৰে সমিতিসমূহক সফলতাৰে লক্ষ্যত উপনীত হ'বলৈ সক্ষম কৰি তুলিবৰ বাবে বিশেষ সহায় কৰে।

বহুতো সুবিধা থকা সত্বেও সমবায় সমিতিসমূহে কেতবোৰ নির্দিষ্ট অসুবিধাৰো সন্মুখীন হয়। এনে কেতবোৰ অসুবিধা ইয়াত উল্লেখ কৰা হ'ল ঃ

১। **সীমিত সম্পদ ঃ** সমবায় সমিতিসমূহৰ বিত্তীয় সামর্থ নির্ভৰ কৰে ইয়াৰ সদস্যসকলে আগবঢ়োৱা মূলধন আৰু ৰাজ্যিক সমবায় বেংকসমূহৰ পৰা লোন ল'ব পৰা সক্ষমতাৰ ওপৰত। সদস্যৰ মাছুল সীমিত হোৱা বাবে বৃহৎ পৰিমাণৰ সম্পদ গঢ়ি তোলাত তেওঁলোক সক্ষম নহয়, কিয়নো তেওঁলোকৰ সদস্যসকল নিম্ন আৰু মধ্যবিত্ত শ্রেণীৰ।

২। **অদক্ষ পৰিচালনা ঃ** একোখন সমবায় সমিতি কেৱল সদস্যসকলে পৰিচালনা কৰে আৰু তেওঁলোকৰ কোনোধৰণৰ পৰিচালন বা বিশেষ দক্ষতা নাথাকিবও পাৰে। ই এটা ডাঙৰ অসুবিধা।

৩। **গোপনীয়তাৰ অভাৱ ঃ** সমবায় সমিতিয়ে ব্যৱসায়ত কোনো গোপনীয়তা অৱলম্বন নকৰে কিয়নো সমিতিৰ কাম-কাজৰ ওপৰত বৈঠকবিলাকত মুকলিকৈ আলোচনা হয়।

৪। **নগদ লেনদেন ঃ** সমবায় সমিতিয়ে বাহিৰা লোকক কেৱল নগদ ধনৰ বিনিময়তহে সামগ্রী বিক্রী কৰে। কিন্তু তেওঁলোক সাধাৰণতে দুখীয়া শ্রেণীৰ লোক হয়। এই লোকসকলে বাকী বিচাৰে, যিটো সমবায় সমিতিৰ বাবে সম্ভৱ নহয়।

৫। **অত্যধিক চৰকাৰী হস্তক্ষেপ ঃ** সমবায় সমিতিৰ পৰিচালনা সমিতিত চৰকাৰে নিজৰ

মনোনীত সদস্য ৰাখে আৰু তেওঁলোকে সমিতিৰ সিদ্ধান্তক প্ৰভাৱিত কৰিব বিচাৰে যিটো সমিতিৰ স্বাৰ্থৰ পৰিপন্থী হ'ব পাৰে।

৬। **মনোযোগৰ অভাৱ ঃ** সদস্যসকল উৎসাহিত নহ'ব পাৰে কিয়নো সমবায়সমূহক নিয়ন্ত্ৰণ কৰা আইনত প্ৰতিদানৰ হাৰৰ ক্ষেত্ৰত কেতবোৰ বাধা আৰোপ কৰা আছে। কাম আৰু প্ৰাপ্যৰ মাজত সম্পৰ্কহীনতাৰ বাবে সমিতিত সৰ্বাধিক প্ৰচেষ্টা চলোৱাত সদস্যসকল নিৰুৎসাহিত হয়।

৭। **বিবাদ আৰু মতভেদ ঃ** সমিতিৰ পৰিচালনা বিভাগত সামাজিক, অৰ্থনৈতিক আৰু শিক্ষাগত দিশৰ পৰা ভিন্ন পৃষ্ঠভূমিৰ ভিন্ন ধৰণৰ লোক থাকে। বহু সময়ত বহু গুৰুত্বপূৰ্ণ বিষয়ত তেওঁলোকৰ মাজত গুৰুতৰ মতভেদ হয়। ই সমিতিৰ স্বাৰ্থত ব্যাঘাত জন্মাব পাৰে। এনেধৰণৰ মতভেদ আৰু বিবাদে সমিতিৰ পৰিচালনাক স্থবিৰ কৰি তুলিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ বিভিন্ন ধৰণৰ সমবায় সমিতিসমূহৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৩ঃ সমবায় সমিতিৰ যিকোনো দুটা অসুবিধাৰ বিষয়ে লিখক।

.....

.....

৪.৮ ৰাজহুৱা খণ্ডৰ উদ্যোগ

চৰকাৰী মালিকানাধীন উদ্যোগসমূহকে ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ উদ্যোগ বোলা হয়। যি উদ্যোগৰ মুঠ আদায়ী মূলধনৰ ৫১% বা তাতোধিক অংশ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰে আৰু আংশিকভাৱে ৰাজ্য চৰকাৰ/চৰকাৰসমূহৰ হাতত থাকে সেইবোৰে ৰাজহুৱা খণ্ডৰ উদ্যোগ।

দেশৰ উদ্যোগীক উন্নয়নত ৰাজহুৱা খণ্ডৰ উদ্যোগে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ৰাজহুৱা খণ্ডৰ উদ্যোগে মুনাফা লাভৰ উদ্দেশ্যক কম গুৰুত্ব দিয়ে কাৰণে লাভতকৈ দেশ গঢ়াৰ কামত ৰাজহুৱা খণ্ডৰ উদ্যোগে বেছি গুৰুত্ব দি আহিছে।

A. H. Hanson ৰ মতে, 'ৰাজহুৱা খণ্ডৰ উদ্যোগ মানে হ'ল উদ্যোগীক, वित्तीय আৰু বাণিজ্যিক চৰকাৰী মালিকীস্বত্ব।'

প্ৰফেচাৰ Hanson ৰ মতে 'উন্নয়নশীল দেশসমূহে ৰাজহুৱা খণ্ডৰ ওপৰত নিৰ্ভৰ কৰিবলৈ বাধ্য। কাৰণ এইবোৰৰ অবিহনে অৰ্থনীতিখনে গতি কৰিব নোৱাৰে।

অর্থাৎ ৰাজহুৱা খণ্ডৰ উদ্যোগ বুলিলে সমূহ চৰকাৰী মালিকনাধিন উদ্যোগক বুজায়। এইবোৰৰ নিয়ন্ত্রণ আৰু মালিকীস্বত্ব চৰকাৰৰ হাতত থাকে। এইবোৰৰ উদ্দেশ্য হৈছে মুনাফা অর্জন কৰাৰ লগতে সমাজৰ কল্যাণ সাধন কৰা।

৪.৯ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য

ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ—

(ক) **চৰকাৰী মালিকীস্বত্ব ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মালিকীস্বত্ব চৰকাৰৰ হাতত থাকে। ই সম্পূর্ণ ৰূপে কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আংশিকভাৱে কেন্দ্রীয় চৰকাৰ আৰু এখন বা একাধিক ৰাজ্য চৰকাৰৰ হাতত থাকিব পাৰে।

(খ) **চৰকাৰী নিয়ন্ত্রণ ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পৰিচালনা আৰু কাম-কাজৰ সম্পূর্ণ নিয়ন্ত্রণ চৰকাৰৰ হাতত থাকে। ৰাজহুৱা খণ্ডৰ উদ্যোগৰ কাম-কাজ পৰিচালনা কৰাৰ প্রত্যক্ষ দায়িত্ব চৰকাৰৰ। চৰকাৰে বিভিন্ন সংস্থাৰ দ্বাৰা ৰাজহুৱা উদ্যোগসমূহ নিয়ন্ত্রণ কৰে।

(গ) **ৰাজহুৱা দায়বদ্ধতা ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহ যিহেতু ৰাইজৰ ধনেৰে প্রতিষ্ঠিত সেয়েহে তেওঁলোকৰ ৰাইজৰ ওচৰত দায়বদ্ধ। এই দায়বদ্ধতাসমূহ বিধানমণ্ডলী আৰু ইয়াৰ সমিতিসমূহ, মন্ত্রী, লেখা পৰীক্ষক ইত্যাদিবোৰে তত্বাৱধান কৰে।

(ঘ) **পৰিসীমা ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে সকলোধৰণৰ কাম-কাজ সামৰি লয়।

(ঙ) **বিত্তীয় স্বাধীনতা ঃ** চৰকাৰে মূলধন বিনিয়োগৰ দ্বাৰা ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহৰ বিত্তীয় প্রয়োজনীয়তা পূৰণ কৰে।

(চ) **সুমধুৰ উদ্যোগীক সম্পর্ক ঃ** ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানতকৈ ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ কর্মচাৰীৰ প্রতি দৃষ্টিভংগী বহু পৰিমাণে উদাৰ হয়। এনে প্রতিষ্ঠানসমূহে অবলম্বন কৰা নীতিসমূহ কর্মচাৰী, উপভোক্তা আৰু সমাজৰ প্রতি লাভদায়ক হয়।

(ছ) **একচেতিয়া অধিকাৰ ঃ** কিছুমান ক্ষেত্রত ৰাজহুৱা উদ্যোগসমূহৰ একচেতীয়া অধিকাৰ দেখা যায়। ভাৰতীয় ৰে'ল, ভাৰতীয় ডাক ইত্যাদি সমূহ হ'ল তেনে ৰাজহুৱা উদ্যোগৰ উদাহৰণ।

ONGC, SBI, Indian Oil corporation, Bank of Baroda, Hindustan copper, SAIL, Bharat Petroleum, Power Grid Corporation of India, Indian Bank ইত্যাদি হৈছে ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উদাহৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৫ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ তিনিটা উদাহৰণ দিয়ক।

.....

.....

৪.১০ বিভিন্ন প্রকাৰৰ ৰাজহুৱা উদ্যোগ

ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানত যি গাঁথনি প্রযোজ্য হয় তাৰ জৰিয়তে এনে আকৃতি গঢ়ি তোলা হয় য'ত ৰাজহুৱা প্রতিষ্ঠান আৰু চৰকাৰৰ মাজত এটা আন্তঃসম্পর্কৰ সৃষ্টি হয়। ৰাজহুৱা প্রতিষ্ঠানৰ প্রধান সাংগঠনিক ৰূপবিলাক এনেধৰণৰ ঃ



(ক) বিভাগীয় সংস্থা ঃ এনে ধৰণৰ অনষ্ঠানসমূহ চৰকাৰৰ একোটা সংস্থা হিচাপে চলোৱা হয়। উদাহৰণস্বৰূপে ডাক হৈছে তথ্য আৰু যোগাযোগ মন্ত্রণালয়ৰ অধীনৰ এটা সংস্থা ঠিক তেনেদৰে Chittaranjan Locomotive Works আৰু Integral Coach Factory হ'ল ৰেল মন্ত্রণালয়ৰ অধিনৰ সংস্থা। Ordinance Factory, Gun Carriage Factory, Delhi Milk Scheme, Tarapur Automic Energy Plant, All India Radio, Doordarshan, Government Printing Press and Mint ইত্যাদিবোৰ হ'ল তেনে অন্য কিছুমান বিভাগীয় সংস্থাৰ উদাহৰণ।

(খ) বিধিবদ্ধ নিগম ঃ বিধিবদ্ধ নিগমসমূহ হ'ল স্বাধীনচেটীয়া ৰাজহুৱা খণ্ডৰ উদ্যোগ। এই উদ্যোগসমূহ সদনত বা বিধান সভাত আইন বিশেষ গৃহিত কৰি স্থাপন কৰা হয়। বিধিত নিগমটোৰ নীতি নিয়ম, ক্ষমতা, কার্য্যৱলী, পৰিসৰ ইত্যাদিৰ বিষয়ে উল্লেখ থাকে। যদিও এই নিগমসমূহ বিশেষ আইনৰ অধিনত প্রতিষ্ঠিত, কোম্পানী আইন-২০১৩ৰ ধাৰাসমূহো এনে নিগমসমূহত প্রযোজ্য হয়। বিধিবদ্ধ নিগমসমূহ সেৱাৰ ভাবেৰে প্রতিষ্ঠা কৰা হয়। ভাৰতীয় ষ্টেট বেংক, ভাৰতীয় জীৱন বীমা নিগম, Unit Trust of India ইত্যাদি হ'ল কিছুমান বিধিবদ্ধ নিগমৰ উদাহৰণ।

(গ) **চৰকাৰী কোম্পানী ঃ** এইসমূহ হ'ল সেইবোৰ ৰাজহুৱা কোম্পানী যিবোৰ কোম্পানী আইনৰ অধিনত গঠন কৰা হয় আৰু কোম্পানীৰ আদায়ী মূলধন ৫১ শতাংশ চৰকাৰৰ হাতত থাকে।

(ঘ) **যৌথ উদ্যোগ ঃ** যৌথ উদ্যোগসমূহ হ'ল সেইবোৰ উদ্যোগ যিবোৰ চৰকাৰৰ আৰু ব্যক্তিগত খণ্ডৰ সহযোগীতাত প্ৰতিষ্ঠা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বিভিন্ন গঠনবোৰ লিখক।

.....

.....

৪.১১ ৰাজহুৱা উদ্যোগৰ অৱদান

ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে ভাৰতীয় অৰ্থনীতিৰ উন্নয়নত এক বিশেষ ভূমিকা পালন কৰি আহিছে। ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নৰ মূল হোতা হিচাপে এইবোৰ ৰাষ্ট্ৰীয় অৰ্থনীতিৰ উন্নয়নত তলত দিয়া ধৰণে ভূমিকা পালন কৰি আহিছে।

- **আন্তঃগাঁথনিৰ উন্নয়ন ঃ** উন্নত মানৰ আন্তঃগাঁথনি উন্নয়নৰ মূল। কৃষিৰ উন্নয়নৰ বাবে পৰ্যাপ্ত পৰিমাণৰ জলসিঞ্চন ব্যৱস্থা, শক্তি আৰু বিজুলীৰ যোগান অত্যন্ত জৰুৰী। ঠিক সেইদৰে যোগাযোগ আৰু পৰিবহন ব্যৱস্থা, শক্তি আৰু ইন্ধন লগতে বেংকিং সেৱাৰ উপযুক্ত উন্নয়ন অবিহনে ব্যৱসায় বাণিজ্য বা উদ্যোগীকৰণৰ উন্নয়ন আশা কৰিব নোৱাৰি। স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষত ব্ৰীটিছসকলে এক ভগ্নপ্ৰায় আন্তঃগাঁথনি এৰি থৈ গৈছিল। সেই সময়ত ভাৰতবৰ্ষৰ অৰ্থনীতিৰ গুৰি ধৰিব পৰাকৈ ভাৰতৰ ব্যক্তিগত খণ্ড শক্তিশালী নাছিল। তেনেক্ষত্ৰত ভাৰতবৰ্ষত অকল ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহেহে আন্তঃগাঁথনি গঠন আৰু গুৰু উদ্যোগ স্থাপন কৰিব পৰা অৱস্থাত আছিল। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত ভাৰতবৰ্ষত ৰাজহুৱা কোম্পানীসমূহে যথেষ্ট ভূমিকা পালন কৰিছে আৰু দেশৰ অৰ্থনীতিৰ প্ৰগতিৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে।
- **ক্ষেত্ৰীয় উন্নয়নৰ ভাৰসাম্য ৰক্ষা ঃ** ভাৰতীয় ৰাজহুৱা খণ্ডৰ উদ্যোগ কিছুমান এনে স্থানত স্থাপন কৰা হৈছিল য'ত সামাজিক জীৱনৰ ন্যূনতম প্ৰয়োজন বা উদ্যোগীক উন্নয়নৰ ন্যূনতম প্ৰয়োজনসমূহ যেনে— পানী যোগান, বিদ্যুৎ, নগৰীকৰণ ইত্যাদিৰ অভাব আছিল। উদাহৰণস্বৰূপে পিছপৰা ৰাজ্যত স্থাপন কৰা দুৰ্গাপুৰ, ভিলাই আৰু ৰাউৰকেলাৰ ষ্টীল কাৰখানাসমূহে স্থানীয় উন্নয়নত যথেষ্ট সহায় কৰিছে।
- **ৰাজহুৱা পুঁজিলৈ অৱদান ঃ** Indian Chamber of Commerce ৰ তথ্য অনুসৰি ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ পৰা মুঠ কৰৰ ২০ শতাংশ (প্ৰত্যক্ষ আৰু পৰোক্ষ) সংগ্ৰহ

হয়। অর্থাৎ এই উদ্যোগসমূহে দেশৰ উন্নয়নৰ বাবে প্রয়োজনীয় পুঁজিৰ যোগান ধৰে।

- **নিয়োগ প্রদান ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে এক বুজন সংখ্যক নিয়োগৰ সৃষ্টি কৰিছে আৰু ই দেশৰ নিবনুৱা সমস্যা সমাধানত যথেষ্ট সহায় কৰিছে।
- **মূলধন জাতীয় সামগ্রীৰ যোগান ঃ** স্বাধীনতাৰ সময়ত ভাৰতবর্ষত ষ্টিল, তেল শোধানাগাৰ, সাৰ, ৰাসায়নিক পদার্থ ইত্যাদিৰ যোগান যথেষ্ট কম আছিল। যিটো ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে পিছৰ পর্যায়ত পূৰণ কৰিছিল।
- **বৈদেশীক আয় আৰু ৰপ্তানীৰ উত্তৰণ ঃ** বর্তমান সময়ত দেশৰ বৈদেশীক আয় যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। তদুপৰি ৰাজহুৱা খণ্ডৰ কোম্পানী যেনে— State Trading Corporation, Hindustan Steel Ltd, Bharat Electronics Ltd. Minerals and Metals Trading Corporation ইত্যাদিয়ে ৰপ্তানী বৃদ্ধিৰ ক্ষেত্রত যথেষ্ট অৰিহণা যোগাইছে।
- **আমদানীৰ বিকল্প ঃ** ভাৰতীয় তেল আৰু প্রাকৃতিক গেছ নিগম, ভাৰত ইলেক্টনিক লিমিটেড, ভাৰতীয় তেল নিগম ইত্যাদিসমূহ প্রধানকৈ সেইসমূহ সামগ্রী উৎপাদনৰ বাবে স্থাপন হৈছিল যিবোৰ সামগ্রী উৎপাদনত দেশৰ যথেষ্ট খৰচ হৈছিল।
- **গৱেষণা আৰু উন্নয়নৰ অগ্রগতি ঃ** যিহেতু বেছি সংখ্যক ৰাজহুৱা খণ্ডৰ উদ্যোগ গুৰু খণ্ডৰ লগতে ব্যাপক প্রযুক্তিবিদ্যাৰ ব্যৱহাৰ হয়, সেয়েহে তেনে উদ্যোগসমূহে গৱেষণা আৰু উন্নয়নৰ ক্ষেত্রত বিশেষ আঁচনি হাতত লয়। ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে গৱেষণা আৰু উন্নয়নৰ গুণগত মান আৰু পৰিমাণ দুয়োটাই বৃদ্ধি কৰিছে।

৪.১২ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অসুবিধাসমূহ

ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অসুবিধাসমূহ তলত আলোচনা কৰা ধৰণৰ—

(ক) ক্ষমতাৰ অসম্পূর্ণ ব্যৱহাৰ ঃ ভাৰতবর্ষৰ বেছি সংখ্যক ৰাজহুৱা খণ্ডৰ উদ্যোগে সমতাৰ অসম্পূর্ণ ব্যহাৰৰ সমস্যাৰে জর্জৰিত। বিনিয়োগ যোগ্য সম্পদৰ অভাব আৰু অর্থনীতিৰ সামূহিক অভাবৰ বাবে উদ্যোগসমূহৰ ক্ষমতাৰ ব্যৱহাৰ এক গুৰুত্বপূর্ণ বিষয় হৈ পৰিছে। বহু ক্ষেত্রত দেখা যায় যে উদ্যোগসমূহৰ উৎপাদন ক্ষমতাৰ এক বৃহৎ অংশ অব্যৱহৃত হৈ থাকে। এফালে যত ৰাজহুৱা খণ্ডৰ ষ্টিল উদ্যোগৰ উৎপাদন ক্ষমতা ৭০ শতাংশতকৈ কম ব্যৱহাৰ হয় আনফালে আকৌ আমি ২ মিলিয়ন টন ষ্টিল বিদেশৰ পৰা প্রায় দুগুণ দামত ক্রয় কৰা হয়।

(খ) আমোলাৰ অবাঞ্ছিত হস্তক্ষেপ ঃ যেতিয়া ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহে ৰাষ্ট্রীয় অর্থনৈতিক পৰিকল্পনাৰ অংশ হিচাপে চৰকাৰে গুৰুত্ব দিছিল তেতিয়া যাতে উদ্যোগসমূহে স্বাধীনচেতীয়া ভাৱে কাম কৰি দক্ষতা উন্নীত কৰিব পাৰে তাৰ প্রতি চৰকাৰে গুৰুত্ব আৰোপ কৰিছিল। কিন্তু সময়ৰ লগে লগে এনে উদ্যোগসমূহ বিভাগীয় সংস্থাৰ দৰে হৈ পৰিল আৰু অসামৰিক সেৱাৰ সংস্কৃতিয়ে গা কৰি উঠিল।

(গ) **ৰাজনৈতিক হস্তক্ষেপ ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ কাম-কাজ আৰু সিদ্ধান্তত ৰাজনৈতিক নেতাৰ হস্তক্ষেপ ভাৰতবৰ্ষত এক সংস্কৃতিলৈ ৰূপান্তৰ হৈছে। বহু ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ওপৰত পদসমূহৰ নিযুক্তি দক্ষতা আৰু যোগ্যতাৰ বিপৰীতে ৰাজনৈতিক হস্তক্ষেপত হোৱা দেখা যায়। ই ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহক যথেষ্ট ক্ষতি কৰে।



৪.১৩ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ৰাজহুৱা প্ৰতিষ্ঠান বুলিলে সেইবিলাক ঔদ্যোগিক আৰু বাণিজ্যিক প্ৰতিষ্ঠানক বুজা যায় যিবিলাক কেন্দ্ৰ আপ/বা ৰাজ্য চৰকাৰৰ দ্বাৰা মালিকানাধীন আৰু পৰিচালিত।
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বৈশিষ্ট্য ঃ (ক) ৰাষ্ট্ৰৰ মালিকানা, (খ) ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ, (গ) ৰাজহুৱা দায়বদ্ধতা, (ঘ) স্বায়ত্বতা, (ঙ) পৰিসৰ, (চ) বিত্তীয় স্বাধীনতা, (ছ) সংহতিপূৰ্ণ ঔদ্যোগিক সম্পৰ্ক, (জ) একচেটিয়া।
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ গঠন ঃ (ক) বিভাগীয় সংস্থা, (খ) ৰাজহুৱা নিগম, (গ) চৰকাৰী কোম্পানী, (ঘ) যুটীয়া প্ৰতিষ্ঠান,
- সমবায় সমিতিৰ পঞ্জীয়ন ঃ পাৰ্টনাৰশ্বিপ আইন, ১৯৩২ অনুসৰি প্ৰতিষ্ঠান গঠন কৰিবলৈ ইয়াক পঞ্জীয়ন কৰাটো আইনগতভাৱে বাধ্যতামূলক নহয়। কিন্তু যদি পঞ্জীয়ন কৰা নহয়, তেন্তে কিছুমান জটিলতাৰ উদ্ভৱ হ'ব পাৰে। সেয়ে প্ৰতিষ্ঠান পঞ্জীভুক্ত হোৱা দৰকাৰ। পাৰ্টনাৰশ্বিপ আইন, ১৯৩২ত উল্লেখ আছে যে পাৰ্টনাৰসকলে ইচ্ছা কৰিলে প্ৰতিষ্ঠানক 'প্ৰতিষ্ঠানৰ পঞ্জীয়ক'ৰ জৰিয়তে পঞ্জীভুক্ত কৰিব পাৰে।
- সমবায় সমিতি ঃ সমবায় সমিতি হৈছে এটা সংগঠিত ৰূপ য'ত বিভিন্নজন স্বেচ্ছাই একেলগ হয় আৰু তেওঁলোকৰ উমৈহতীয়া স্বাৰ্থ আগত ৰাখি সমতাৰ ভিত্তিত কাম কৰে।
- সমবায় সমিতিৰ বৈশিষ্ট্যসমূহ হৈছে (ক) ই স্বেচ্ছামূলক সংস্থা, (খ) পঞ্জীয়ন বাধ্যতামূলক, (গ) ন্যায়িক মৰ্যাদা, (ঘ) সেৱাৰ উদ্দেশ্য, (ঙ) সীমিত দায়বদ্ধতা, (চ) ধৰ্মীয় আৰু ৰাজনৈতিক নিৰপেক্ষতা, (ছ) ৰাজ্যৰ নিয়ন্ত্ৰণ (জ) উদ্বৃত্ত/লাভ নিষ্পত্তি।
- সমবায় সমিতিক এনেদৰে শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ (ক) উপভোক্তা সমবায় সমিতি, (খ) উৎপাদনকাৰীৰ সমবায় সমিতি, (গ) সমবায় বিপণন সমিতি, (ঘ) সমবায় ঋণ সমিতি, (ঙ) সমবায় কৃষি সমিতি, (চ) সমবায় গৃহ নিৰ্মাণ সমিতি।



৪.১৪ অধিক জানিবলৈ (FURTHER READINGS)

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৪.১৫ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সমবায় সমিতি পঞ্জিয়ন আইন, ১৯১২।

২ নং প্ৰশ্নৰ উত্তৰঃ উপভোক্তা সমবায় সমিতি, ঋণ সমবায় সমিতি আৰু বিপণন সমবায় সমিতি।

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) সীমিত সম্পদ (খ) অদক্ষ পৰিচালনা।

৪ নং প্ৰশ্নৰ উত্তৰঃ যি উদ্যোগৰ মুঠ আদায়ী মূলধনৰ প্ৰৱণ বা তাতোধিক অংশ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰে আৰু আংশিকভাৱে ৰাজ্য চৰকাৰযচৰকাৰসমূহৰ হাতত থাকে সেইবোৰে ৰাজহুৱা খণ্ডৰ উদ্যোগ।

৫ নং প্ৰশ্নৰ উত্তৰঃ ONGC, GAIL, SAIL

৬ নং প্ৰশ্নৰ উত্তৰঃ বিভাগীয় সংস্থা, ৰাজহুৱা নিগম, চৰকাৰী কোম্পানী আৰু যুটীয়া প্ৰতিষ্ঠান।



৪.১৬ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ সমবায় সমিতি সংগঠন বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ উপভোক্তাৰ সমবায় সমিতি কি?

প্ৰশ্ন ৩ঃ সমবায় সমিতিৰ লাভ কিদৰে ভগোৱা হয়?

প্ৰশ্ন ৪ঃ সমবায় সমিতিৰ সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ সমবায় সমিতি আৰু অংশীদাৰী প্ৰতিষ্ঠানৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰক।

*** ***** ***